**সদাশিৱ মুণ্ডাজী ভালেৰাও**

**বনাম**

**মহাৰাষ্ট্ৰ ৰাজ্য**

**২৮ নৱেম্বৰ, ২০০৬**

**[জি. পি. মাথুৰ আৰু এ. কে. মাথুৰ, জেজে.]**

***দণ্ডবিধি, ১৮৬০ :***

*ধাৰা নং ৩০২ৰ লগতে ধাৰা নং ৩৪ আৰু ২০১/৩৪ --- জিম্মাত মৃত্যু --- ডকাইতি গোচৰত জড়িত এজন ব্যক্তিক আৰক্ষীয়ে মাৰপিট কৰি হত্যা কৰা বুলি উল্লেখ কৰা হৈছিল --- থানাখনৰ ১৭ জন আৰক্ষী বিষয়াৰ ওপৰত গোচৰ --- মৃতকক শেষবাৰৰ বাবে তেওঁলোকৰ জিম্মাত দেখা পোৱা গৈছিল --- বিচাৰ আদালতৰ দ্বাৰা দোষমুক্তকৰণ --- উচ্চ ন্যায়ালয়ৰ দ্বাৰা দোষী সাব্যস্তকৰণ --- ৰায় দিয়া হৈছিল, সাক্ষীসকলৰ বিবৃতিসমূহ পৰ্যালোচনা নকৰাকৈ গ্ৰহণ কৰিব নোৱাৰি --- সাক্ষীসকলৰ পূৰ্ববৰ্তী স্বভাৱ আৰু মাৰপিটৰ ওপৰত তেওঁলোকে দিয়া বৰ্ণনাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী বিষয়াসকলৰ দ্বাৰা অপৰাধ সংঘটিত হৈছিল বুলি অনুমান কৰিব নোৱাৰি --- উদ্ধাৰ হোৱা মৃতদেহটো ভুক্তভোগীৰ বুলি প্ৰমাণ কৰিব পৰা নগ'ল --- বিচাৰ আদালতে গ্ৰহণ কৰা মতামত ন্যায়সংগত আৰু সঠিক বুলি পৰিলক্ষিত হয় আৰু উক্ত ৰায় বাতিল কৰাটো অনুসৰি উচ্চ ন্যায়ালয়ৰ বাবে সঠিক নাছিল --- বিচাৰ আদালতৰ দ্বাৰা গৃহীত কৰা দোষমুক্তকৰণৰ আদেশৰ পুনৰুদ্ধাৰ --- প্ৰমাণ --- পৰিস্থিতিক প্ৰমাণ --- দোষমুক্তকৰণৰ বিৰুদ্ধে আপীল --- আপীল আদালতৰ দ্বাৰা হস্তক্ষেপ --- পৰিধিৰ।*

**আই পি চিৰ ধাৰা ৩০২/৩৪ আৰু ২০১/৩৪ ৰ অধীনত শাস্তিযোগ্য অপৰাধৰ বাবে সোতৰ জন আৰক্ষী বিষয়াৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। বিচাৰৰ গোচৰটো আছিল যে এটা ডকাইতি গোচৰৰ তদন্তৰ সময়ত**

সাতজন লোকক গ্ৰেপ্তাৰ কৰি থানালৈ অনা হৈছিল। অভিযোগ অনুসৰি তেওঁলোকৰ ভিতৰৰ এজনক জেৰা কৰিবৰ কাৰণে কেইজনমান আৰক্ষী বিষয়াৰ দ্বাৰা হাত বান্ধি আটকীয় শাখাৰ কোঠালৈ লৈ যোৱা হৈছিল, য'ত তেওঁক মাৰপিট কৰা হৈছিল যাৰ ফলত তেওঁ মৃত্যুমুখত পৰিছিল। এই কথা ঢাকিবৰ বাবে আৰক্ষীয়ে আই পি চিৰ ধাৰা ২২৪ ৰ অধীনত এক অভিযোগ উত্থাপন কৰি এটা গোচৰ ৰুজু কৰিছিল যে ডকাইতি কাণ্ডৰ উক্ত অভিযুক্তজনে আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰিছিল। তাৰ পিছত, এটা মৃতদেহ পচি যোৱা অৱস্থাত উদ্ধাৰ কৰা হৈছিল যিটো পিছত দাহ কৰা হৈছিল। উক্ত মৃতদেহৰ আঙুলিৰ ছাপ ডকাইতি কাণ্ডটোৰ অভিযুক্তজনৰ লগত মিলাই চোৱা হৈছিল আৰু সেই আঙুলিৰ ছাপৰ লগত মিল থকা পৰিলক্ষিত হৈছিল। বিচাৰ আদালতে ৰায় দিছিল যে অভিযুক্ত আৰক্ষীৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ প্ৰমাণ দিবলৈ গুচৰীয়া পক্ষ ব্যৰ্থ হৈছিল আৰু সন্দেহৰ এক সুবিধা প্ৰদান কৰি, তেওঁলোক সকলোকে দোষমুক্ত কৰিছিল। কিন্তু উচ্চ ন্যায়ালয়ে উক্ত দোষমুক্তকৰণৰ আদেশৰ পৰিৱৰ্তন কৰিছিল আৰু অভিযোগ কৰা উক্ত অপৰাধৰ বাবে সকলোকে দোষী সাব্যস্ত কৰিছিল। সেই আদেশত ক্ষুব্ধ হৈ অভিযুক্ত আৰক্ষী বিষয়াসকলে বৰ্তমানৰ আপীল দাখিল কৰিছিল।

আপীলকাৰীসকলৰ হৈ দাবী কৰা হৈছিল যে গুচৰীয়া পক্ষই উপস্থাপন কৰা সকলো প্ৰত্যক্ষদৰ্শীৰে অপৰাধজনিত অভিলেখ আছিল আৰু তেওঁলোকক আপীলকাৰীসকলৰ বিৰুদ্ধে আখেজীয়ভাৱে ন্যস্ত কৰা হৈছিল; আৰু মাৰপিট ক'ত সংঘটিত হৈছিল আৰু মাৰপিটৰ লগত জড়িত আৰক্ষী বিষয়া কোন আছিল এই সন্দৰ্ভত সাক্ষীসকলৰ সাক্ষ্যত বহুতো অমিল আৰু কেইবাটাও ত্ৰুটি আছিল। আনহাতে, ৰাজ্যৰ হৈ দাবী কৰা হৈছিল যে সাক্ষীসকলৰ সাক্ষ্যত কিছুমান আসোঁৱাহ থকা বুলি অনুমান কৰিলে দেখা যায় যে মৃতকজন আৰক্ষীৰ জিম্মাত আছিল, আই পি চিৰ ধাৰা ২২৪ ৰ অধীনত আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰাৰ বাহিৰে তেওঁৰ কোনো খবৰ লোৱা নাছিল আৰু তদন্ত আৰু অধিক আগবঢ়াই নিয়া নাছিল; আৰু পলায়নৰ বিষয়টো এক ভুৱা কাহিনীৰ বাদে আন একো নাছিল।

উক্ত আপীলৰ অনুমতি প্ৰদান কৰি ন্যায়ালয ৰায় প্ৰদান কৰিছিল :

১.১/ সাক্ষীসকলৰ বিবৃতিসমূহ দিয়াৰ লগে লগেই সেয়া গ্ৰহণ কৰিব নোৱাৰি। এইটো সত্য যে মৃতকজনক জীৱিত অৱস্থাত পোৱা যোৱা নাছিল। উক্ত কথাৰ প্ৰতি লক্ষ্য ৰাখি যে আৰক্ষী বিষয়াসকলৰ বিৰুদ্ধে তদন্ত আৰক্ষী বিষয়াসকলেই কৰিছে আৰু লগতে গুচৰীয়া পক্ষৰ সাক্ষীসকলৰ পূৰ্বৰ অভিলেখ আৰু তেওঁলোকে মাৰপিটৰ বিষয়ে দিয়া বৰ্ণনাৰ ধৰণৰ প্ৰতিও লক্ষ্য ৰাখি, গোটেই ১৭ জন অভিযুক্ত ব্যক্তিকে উক্ত অপৰাধ সংঘটিত কৰাৰ আওঁতাত বান্ধি লোৱাটো কঠিন। আচলতে, আৰক্ষীয়ে প্ৰমাণসমূহ সঠিকভাৱে পৰীক্ষা কৰিব লাগিছল আৰু মাৰপিটৰ বাবে দায়ী ব্যক্তিসকলক ভালদৰে চিনাক্ত কৰিব লাগিছিল। কিন্তু, দুৰ্ভাগ্যজনকভাৱে, এই ক্ষেত্ৰত বস্তুগত প্ৰমাণ প্ৰস্তুত কৰিবলৈ তেওঁলোকে যথেষ্ট পৰিমাণৰ যত্ন কৰা নাই। [৭৪৩-ডি, ই]

১.২/ আদালত এই বিষয়ত সচেতন যে জিম্মাত ঘটা মৃত্যুৰ কাণ্ড বৃদ্ধি পাবলৈ লৈছে কিন্তু অভিযুক্তক দোষী সাব্যস্ত কৰিবলৈ আইন অনুসৰি প্ৰমাণবোৰ আৰু ইয়াৰ গ্ৰহণযোগ্যতাক সম্পূৰ্ণৰূপে উলাই কৰিব পৰা নাযায়। আদালতে কেৱল মাত্ৰ কঠোৰ সন্দেহ বা অনুমান আৰু আন্দাজৰ ভিত্তিত কোনো কাৰ্য্য কৰিব নোৱাৰে। ই কেৱল মাত্ৰ অনুমানহে কৰিব পাৰে যিটো আইনৰ অধীনত অনুমোদিত আৰু কেৱল অপৰাধ সংঘটিত হোৱাৰ সৈতে কোনো সঠিক সম্পৰ্ক নোহোৱাকৈয়ে আৰক্ষীৰ জিম্মাত মৃতকজনৰ মৃত্যু হৈছিল বাবেই এক সিদ্ধান্তত উপনীত হ'ব নোৱাৰে। অভিযুক্তজনৰ দোষৰ অনুমানৰ সন্দৰ্ভত আপীলকাৰীসকলৰ বিৰুদ্ধে থিয় দিয়া আটাইতকৈ শক্তিশালী পৰিস্থিতিটো হ'ল যে মৃতকজনক শেষবাৰৰ বাবে আৰক্ষীৰ জিম্মাত দেখা পোৱা গৈছিল, এনে ধৰণৰ অনুমানৰ সন্দৰ্ভত অপৰাধ সংঘটিত কৰাৰ অনুমান বিকৃত। এইটো সত্য যে অভিযুক্তসকল আৰক্ষীৰ কৰ্মী কিন্তু কেৱল এই পৰিস্থিতিৰ ভিত্তিতেই আদালতে সমগ্ৰ থানাখনক গৰিহণা দিব নোৱাৰে। [৭৪৩-জি-এইচ; ৭৪৪-এ-বি]

*এ. ই. জি. কেৰাপিয়েট বনাম এ. ৱাই. ডাৰ্দেৰিয়ান,* **এ আই আৰ (১৯৬১) কেল. ৩৫৯;** *এম. পি. ৰাজ্য বনাম শ্যামসুন্দৰ ত্ৰিদেৱী আৰু অন্যান্য,* **[১৯৯৫] ৪ এছ চি চি ২৬২;** *সহদেৱন উৰফে সগদেৱন বনাম চেন্নাইৰ আৰক্ষী*

*পৰিদৰ্শকৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা ৰাজ্য,* **[২০০৩] ১ এছ চি চি ৫৩৪;** *মণি কুমাৰ থাপা বনাম ছিক্কিম ৰাজ্য,* **[২০০২] ৭ এছ চি চি ১৫৭** আৰু *দেৱেন্দৰ কুমাৰ চিংলা বনাম বলদেৱ কৃষণ চিংলা,* **[২০০৫] ৯ এছ চি চি, উদ্ধৃত।**

**২.১/ এনে প্ৰত্যক্ষ তথা দুৰ্বল প্ৰমাণবোৰৰ বাহিৰে দুবছৰৰ পিছত অৰ্থাৎ ১৯৮৯ চনৰ পিছত পোহৰলৈ অহা মৃতদেহটোক মৃতকজনৰ সৈতে সংযোগ কৰাৰ প্ৰমাণ গ্ৰহণ কৰাটো অতি কঠিন। পি. ডব্লিউ. ২২, যিয়ে মৃতদেহটোৰ আঙুলিৰ ছাপ লৈছিল, তাক পৰীক্ষা কৰি মৃতদেহটোক মৃত ব্যক্তিজনৰ সৈতে সংযোগ কৰাৰ এক প্ৰচেষ্টা চলোৱা হৈছিল। যদিও তেওঁ স্বীকাৰ কৰিছিল যে ছাপবোৰ স্পষ্ট নাছিল, আঙুলিৰ এই ছাপবোৰ মৃতকজনে এটা গৰু বিক্ৰী কৰাৰ সময়ত পোৱা এখন ৰচিদত আছিল বুলি সমৰ্থন কৰা হৈছিল, যিটো মৃতকজনৰ ভাতৃয়ে দাখিল কৰিছিল আৰু তাত মৃত ব্যক্তিজনৰ আঙুলিৰ ছাপ আছিল বুলি কোৱা হৈছিল। ইয়াৰ বাবে, গুচৰীয়া পক্ষই ৰচিদৰ লিখক পি. ডব্লিউ. ১০ আৰু পি. ডব্লিউ. ১১ ৰ প্ৰমাণৰো অৱতাৰণা কৰিছিল। দুয়োজন সাক্ষীয়ে পিছত বিৰোধী সাক্ষী (Hostile witness) হিচাপে পৰিণত হৈছিল। ফলস্বৰূপে, ক্ৰেতাক দিয়া ৰচিদখন কেনেকৈ বিক্ৰেতা অৰ্থাৎ মৃত ব্যক্তিজনৰ লগত থাকিব পাৰে সেয়া সন্দেহজনক। [৭৪৪-চি, ডি]**

**২.২/ তাৰোপৰি, ৰচিদত থকা বুঢ়া আঙুলিৰ ছাপ যে মৃতকজনৰ আছিল সেই কথা এতিয়ালৈকে প্ৰমাণিত হোৱা নাই, যিহেতু পি. ডব্লিউ. ১০ বিৰোধী সাক্ষী(Hostile witness) হিচাপে পৰিণত হৈছিল। যিহেতু পি. ডব্লিউ. ১০ এ মৃতকজনৰ বুঢ়া আঙুলিৰ ছাপ তেওঁৰ উপস্থিতিত লোৱা বুলি অস্বীকাৰ কৰিছে আৰু যিহেতু গুচৰীয়া পক্ষই প্ৰস্তুত কৰা মৃতকজনৰ বুঢ়া আঙুলিৰ ছাপ থকা ৰচিদখন প্ৰমাণিত হোৱা নাই, সেয়েহে, মৃতকজনৰ আঙুলিৰ ছাপৰ সৈতে বুঢ়া আঙুলিৰ ছাপৰ মাজত কৰা তুলনাৰ কোনো পৰিণতি নাই। তাতোকৈ ডাঙৰ কথা, মৃতকজনৰ ভাতৃ আৰু তেওঁৰ পত্নীয়েও মৃতদেহটো চিনাক্ত কৰিবলৈ অস্বীকাৰ কৰিছিল। গতিকে, এনে পৰিস্থিতিত, গুচৰীয়া পক্ষই প্ৰতিষ্ঠা কৰিবলৈ ব্যৰ্থ হৈছিল যে উক্ত মৃতদেহটো মৃতকজনৰ আছিল। সেই**

**হিচাপে এনে পৰিস্থিতিক প্ৰমাণৰ কোনো মূল্য নাই যে ই অভিযুক্ত ব্যক্তিসকলক অপৰাধ সংঘটিত কৰাৰ সৈতে সংযোগ কৰিব পাৰে। [৭৪৪-এফ-এইচ্; ৭৪৫-এ-বি]**

**৩.১/ সেয়েহে, বিচাৰ আদালতৰ ৰায় সলনি কৰিবলৈ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে গ্ৰহণ কৰা মতামতটো ভালদৰে প্ৰতিষ্ঠিত হোৱা দেখা নাযায়। উচ্চ ন্যায়ালয়ে দিয়া কাৰণসমূহ যুক্তিসংগত নহয় আৰু আপীলকাৰীসকলক দোষী সাব্যস্ত কৰাৰ ন্যায্যতা প্ৰদান কৰিব পৰাকৈ উক্ত কাৰণৰ বিৰুদ্ধে আপীল কৰিব পৰা নাযায়। সাধাৰণতে, দোষমুক্তকৰণৰ আদেশত হস্তক্ষেপ কৰাত আপীল আদালত অতি লেহেমীয়া যদিহে তেনে কৰিবলৈ কোনো বাধ্যতামূলক পৰিস্থিতি নাথাকে। বিচাৰ আদালতৰ ৰায়টো পঢ়াৰ পিছত, গোচৰৰ প্ৰদত্ত তথ্য আৰু পৰিস্থিতিত, এই আদালতে গ্ৰহণ কৰা মতামত ন্যায়সংগত আৰু সঠিক যেন লাগে। উচ্চ ন্যায়ালয়ৰ উক্ত বিবাদিত ৰায় বাতিল কৰা হয় আৰু বিচাৰ আদালতৰ ৰায় দৃঢ় কৰা হয় আৰু সকলো অভিযুক্ত-আপীলকাৰীক সকলো অভিযোগৰ পৰা মুক্ত কৰা হয়। [৭৪৫-ডি-ই]**

**ফৌজদাৰী আপীলৰ ক্ষেত্ৰাধিকাৰ : ফৌজদাৰী আপীল নং ৪৭৮/২০০৫।**

বোম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠ, নাগপুৰে ফৌজদাৰী আপীল নং ২৪২/১৯৯৬ ত ১৭/০১/২০০৫ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ উদয় উমেশ ললিত, আৰ. সুন্দৰবৰ্ধন, এ. কে. সংঘী, আদিত্য কুমাৰ, শিৱাজী এম. যাদৱ, হিমাংশু গুপ্তা, বৃজ কিশোৰ চাহ আৰু ৰাহুল জোশী।

প্ৰতিবাদকাৰীৰ হৈ শেখৰ নাফাদে, এছ. এছ. শ্বিন্দে, চিন্ময় খালাদকেৰ, ভি. এন. ৰঘুপতি আৰু অনিৰুদ্ধ পি. ময়ী।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰিছিল

**ন্যায়াধীশ এ. কে. মাথুৰ, ।** এই আপীলসমূহ নাগপুৰস্থিত বোম্বে উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে ফৌজদাৰী আপীল নং ২৪২/১৯৯৬ ত ১৭/০১/২০০৫ তাৰিখে প্ৰদান কৰা আদেশৰ বিৰুদ্ধে জাৰি কৰা হয় যাৰ দ্বাৰা খণ্ড বিচাৰপীঠে সকলো অভিযুক্ত আপীলকাৰীৰ দোষমুক্তকৰণৰ আদেশ বাতিল কৰিছিল আৰু তেওঁলোকক ভাৰতীয় দণ্ডবিধি (চমুকৈ 'আই পি চি') ৰ অন্তৰ্গত ধাৰা ৩০২ৰ লগতে ধাৰা ৩৪ৰ অধীনত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ড খটাৰ শাস্তি প্ৰদান কৰিছিল। মূল অভিযুক্ত নং ১, ২ আৰু ৩ প্ৰত্যেকেই ৩০,০০০/- টকাকৈ, মূল অভিযুক্ত নং ৬ য়ে ১৫,০০০/- টকা, আৰু মূল অভিযুক্ত নং ১০, ১১, ১৩, ১৫, ১৬ আৰু ১৭ প্ৰত্যেকেই ১০,০০০/- টকাকৈ জৰিমনা আদায় দিবলৈ খণ্ড বিচাৰপীঠে নিৰ্দেশ দিছিল। জৰিমনা আদায় নিদিলে, তেওঁলোকক পাঁচ বছৰৰ কাৰণে কঠোৰ কাৰাদণ্ড বিহাৰ বাবেও নিৰ্দেশ দিয়া হৈছিল। আই পি চি ৰ অন্তৰ্গত ধাৰা ২০১ ৰ লগতে ধাৰা ৩৪ ৰ অধীনত থকা অপৰাধৰ ক্ষেত্ৰত মূল অভিযুক্ত নং ১, ২, ৩, ৬, ১০, ১১, ১৩, ১৫, ১৬ আৰু ১৭ ক পাঁচ বছৰৰ কাৰাদণ্ড বিহি কঠোৰ শাস্তি প্ৰদান কৰা হৈছিল। ১ ৰ পৰা ৩ নং মূল অভিযুক্ত প্ৰত্যেককে ১০,০০০/- টকাকৈ জৰিমনা আদায় দিবলৈ নিৰ্দেশ দিয়া হৈছিল; অভিযুক্ত নং ৬ ক ৫০০০/- টকা আৰু অভিযুক্ত নং ১০, ১১, ১৩, ১৫, ১৬ আৰু ১৭ প্ৰত্যেককে ২৫০০/- টকাকৈ জৰিমনা ভৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছিল। জৰিমনা আদায় নিদিলে তেওঁলোকে আৰু অধিক দুবছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰ সন্মুখীন হ'বলগীয়া হৈছিল। আই পি চি ৰ অন্তৰ্গত ধাৰা ৩০২ৰ লগতে ধাৰা ৩৪ আৰু আই পি চি ৰ অন্তৰ্গত ধাৰা ধাৰা ২০১ ৰ লগতে ধাৰা ৩৪ৰ ৰ অধীনত থকা মূল বাক্য সমূহ একেলগে চলাবলৈ নিৰ্দেশ দিয়া হৈছিল। সেয়েহে, অভিযুক্ত আপীলকাৰীসকলৰ বৰ্তমানৰ আপীল।

আৰক্ষীৰ জিম্মাত মৃতকৰ মৃত্যু হোৱা দুৰ্ভাগ্যজনক গোচৰৰ ভিতৰত এইটো অন্যতম। আমি সচেতন যে শেহতীয়াকৈ আৰক্ষীৰ জিম্মাত সন্দেহজনকভাৱে মৃত্যু হোৱাৰ এনে ঘটনা বৃদ্ধি পাইছে। এয়া এক দুৰ্ভাগ্যজনক দৃশ্যপট। কিন্তু তথাপিও আমি বিষয়টো বস্তুনিষ্ঠভাৱে পৰীক্ষা কৰিব লাগিব যদিও এইটো কথা মনত ৰাখি যে এই সকলোবোৰ আপীলৰ সৈতে জড়িত অভিযুক্তসকল আন কোনো নহয়, আৰক্ষী বিষয়াসকলহে, আৰু তদন্ত কেৱল তেওঁলোকৰ সহকৰ্মীসকলৰ দ্বাৰাহে কৰা হৈছিল। গতিকে, বৰ্তমানৰ আপীলৰ সৈতে জড়িত অভিযুক্তসকল যে আন কোনো নহয়,

কেৰল অন্য এক তদন্তকাৰী সংস্থাৰ তেওঁলোকৰ সহকৰ্মীহে, সেই কথাটো মনত ৰাখি আমি বস্তুনিষ্ঠভাৱে সকলো দিশ পৰীক্ষা কৰিব লাগিব।

বৰ্তমানৰ আপীলসমূহ দাখিল কৰিবৰ কাৰণে উদ্ভৱ হোৱা চমু তথ্যসমূহ হ'ল যে অন্য কিছু সন্দেহযুক্ত লোকৰ সৈতে মৃত দিলীপ এক ডকাইতি কাণ্ডৰ লগত জড়িত আছিল যিটো অৰ্ভি আৰক্ষী-থানাৰ ক্ষেত্ৰাধিকাৰৰ অধীনস্থ তকৰহেদা গাঁৱত সংঘটিত হৈছিল। নামদেও তুলসীৰাম তাইৱাদে নামৰ এজন লোকে এই সন্দৰ্ভত এটা অভিযোগ দাখিল কৰিছিল যে উক্ত ডকাইতি কাণ্ড তেওঁৰ ঘৰত সংঘটিত হৈছিল য'ত তেখেতৰ ঘৰৰ সদস্যসকল আহত হৈছিল আৰু তেখেতৰ ঘৰৰ পৰা আ-অলংকাৰ কাঢ়ি লৈ যোৱা হৈছিল। এই প্ৰতিবেদনৰ ভিত্তিত, ২৪/১০/১৯৮৭ তাৰিখে কিছুমান অজ্ঞাত ব্যক্তিৰ বিৰুদ্ধে আই পি চিৰ ধাৰা ৩৯৫, ৩৯৭ আৰু ৩৯৮ ৰ অধীনত অপৰাধ নং ২৫৪/১৯৮৭ শীৰ্ষক এটা গোচৰ ৰুজু কৰা হৈছিল। উক্ত গোচৰৰ তদন্তৰ দায়িত্ব অভিযুক্তৰ আপীলকাৰী - পি. আই.ভাদিকাৰে লৈছিল। তদন্তৰ কালছোৱাত, ০৫/১১/১৯৮৭ তাৰিখে আৰক্ষীয়ে সাতজন ব্যক্তি যথাক্ৰমে - (১) বাস্তম দেৱীদাস পৱাৰ, (২) কমৰেড ভীমৰাও পৱাৰ, (৩) দিলীপ খুস্যা ঘোচলে, (৪) চাউভাৰত ৰামচন্দ্ৰ ঘোচলে, (৫) পৰ্ত্য খুস্যা ঘোচলে, (৬) নৰভাৰত ৰামচন্দ্ৰ ঘোচলে, আৰু (৭) গঙ্গাচৰণ সুখদেও পৱাৰক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে এই লোকসকলক গ্ৰেপ্তাৰ কৰিছিল আৰু তদন্তৰ উদ্দেশ্যে ন্যায়িক দণ্ডাধীশৰ ওচৰত ন্যায়িক হাজতলৈ পঠিয়াবলৈ বিছাৰি প্ৰাৰ্থনা জনাইছিল। অপৰাধমূলক অস্ত্ৰৰ লগতে চুৰি কৰা সম্পত্তি উদ্ধাৰ কৰাৰ উদ্দেশ্যে আৰক্ষীক ৭ দিনৰ পুনঃজিম্মা দিবৰ বাবে অনুমোদন দিয়া হৈছিল। এই সময়লৈকে অভিযুক্তৰ লগত দুৰ্ব্যৱহাৰ হোৱাৰ কোনো অভিযোগ উত্থাপন হোৱা নাছিল। দণ্ডাধীশৰ পৰা জিম্মাত লোৱাৰ পাছত অভিযুক্ত কেইজনক আৰক্ষী-থানালৈ লৈ অনা হৈছিল।

০৫/১১/১৯৮৭ আৰু ০৬/১১/১৯৮৭ তাৰিখৰ মাজৰ নিশা, দণ্ডাধীশে প্ৰদান কৰা প্ৰতিপ্ৰেৰণ মতে ওপৰত উল্লেখিত সকলো অভিযুক্ত যেতিয়া আৰক্ষীৰ জিম্মাত আছিল, সেই নিশা অৰ্ভি আৰক্ষী-থানাত আৰক্ষীয়ে সকলো অভিযুক্তক জেৰা কৰি আছিল। পূৰ্বতে উল্লেখ কৰা অপৰাধৰ অন্যতম সন্দেহজনক ব্যক্তি দিলীপ খুস্যা ঘোচলে (ইয়াত পিছত 'দিলীপ' বুলি

উল্লেখ কৰা হ'ব) ক জেৰাৰ বাবে একাংশ অভিযুক্ত-আপীলকাৰীৰ দ্বাৰা লক-আপৰ পৰা চিনাক্তকৰণ শাখাৰ কোঠালৈ লৈ যোৱা হৈছিল আৰু তেওঁক লঠিয়াই তথা ঘোচাৰ দ্বাৰা প্ৰহাৰ কৰা হৈছিল আৰু উক্ত জেৰাৰ সময়তে চিনাক্তকৰণ শাখাৰ কেন্দ্ৰত দিলীপৰ মৃত্যু হৈছিল। অভিযোগ অনুসৰি, যদিও দিলীপৰ মৃত্যু প্ৰহাৰৰ কাৰণে হৈছিল, কিন্তু এই তথ্যটো ঢাকি ৰাখিবলৈ, আৰক্ষীয়ে আই পি চিৰ ধাৰা ২২৪ ৰ অধীনত ০৬/১১/১৯৮৭ তাৰিখে ঠিক ২.১৫ বজাত এটা গোচৰ ৰুজু কৰিছিল যে অভিযুক্ত-দিলীপে আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰিছিল আৰু তাৰ পিছত, অভিযুক্ত-দিলীপৰ সবিশেষ বৰ্ণনা কৰি সমগ্ৰ ৰাজ্যতে এক বেঁতাৰ বাৰ্তা প্ৰেৰণ কৰা হৈছিল। গুচৰীয়া পক্ষই অভিযোগ উত্থাপন কৰিছে যে অন্ধ্ৰ প্ৰদেশৰ আদিলাবাদত পৰি থকা এটা মৃতদেহ উদ্ধাৰ কৰা হৈছিল আৰু আদিলাবাদ পি. এছ.ৰ দ্বাৰা উক্ত মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল। মৃতদেহটো গলি-পচি যোৱা অৱস্থাত আছিল আৰু দাহ কৰা হৈছিল। তদন্তৰ সময়ত এই তথ্য পোহৰলৈ আহিছিল। অভিযোগ উত্থাপন কৰা হৈছিল যে উক্ত মৃতদেহটো মৃতক-দিলীপৰ আছিল আৰু তেওঁৰ আঙুলিৰ ছাপ লোৱা হৈছিল আৰু তাক গৰু ক্ৰয় কৰাৰ এখন ৰচিদত থকা আঙুলিৰ ছাপৰ সৈতে মিলাবলৈ বিচৰা হৈছিল আৰু ইয়াক মৃতকৰ সৈতে সংযোগ কৰিবলৈও বিচৰা হৈছিল যাতে প্ৰতিষ্ঠা কৰিব পৰা যায় যে সেইটো মৃত দিলীপৰে মৃতদেহ আছিল যাক আৰক্ষীৰ জীপ খনত লৈ যোৱা হৈছিল আৰু এ. পি.ৰ আদিলাবাদত অভিযুক্ত ব্যক্তিসকলৰ দ্বাৰা পেলাই দিয়া হৈছিল।

দেখা গৈছে যে কিছুদিন ধৰি একো নহ'ল কিন্তু ৰাজহুৱা উদ্বেগ ৰখা কেইজনমান ব্যক্তিয়ে ইয়াৰ গোন্ধ পাইছিল যে আৰক্ষীৰ জিম্মাত কোনোবা অভিযুক্তৰ মৃত্যু হৈছিল। সেয়েহে, ডঃ শ্যাম সুন্দৰ ভূতাদা নামৰ এজন ব্যক্তি সংশ্লিষ্ট আৰক্ষী অধীক্ষকৰ ওচৰলৈ গৈছিল আৰু তেওঁক জনাইছিল যে দিলীপ নামৰ এজন ব্যক্তিৰ আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা বুলি চহৰখনত এক উৰাবাতৰি ওলাইছে। তাৰ পিছত, তেওঁ থানাত এক লিখিত অভিযোগ দাখিল কৰিছিল আৰু সেই অভিযোগটো আৰক্ষী-থানাখনৰ ভাৰপ্ৰাপ্ত বিষয়াজনে গ্ৰহণ কৰিছিল। অভিযুক্ত নং ২, ভাদিকৰে অপৰাধ নং ২৬৩/৮৭ ৰ জৰিয়তে আই. পি. চি. ৰ অন্তৰ্গত ধাৰা ৩০২ৰ লগতে ধাৰা ৩৪ৰ অধীনত অপৰাধটো পঞ্জীয়ন কৰিছিল। অভিযুক্ত আপীলকাৰী নং ২ য়ে তদন্তৰ কাম হাতত লৈছিল। দেখা গৈছে যে বিভাগৰ উচ্চ পদস্থধাৰী সকলেও কিছুসময়ৰ পাছত এই কথাটো জানি গৈছিল আৰু সেয়েহে, এই গোচৰটো চি. আই. ডি., অপৰাধ বিভাগে গ্ৰহণ কৰিছিল আৰু ২৪/১২/১৯৮৭

তাৰিখে এই বিষয়টো পি. ডব্লিউ. ২৮, অৰ্থাৎ আৰক্ষী উপ-অধীক্ষক, ভগৱানগীৰ গোস্বামীলৈ হস্তান্তৰ কৰা হৈছিল। তাৰ পাছত, শ্ৰী গোস্বামীয়ে, যিয়ে মৃত দিলীপৰ লগতে সেই ডকাইতি গোচৰত আটক কৰা সকলো সহ-অভিযুক্তৰ বিবৃতি লিপিবদ্ধ কৰিছিল, তেখেতে তদন্তৰ কাম হাতত লৈছিল আৰু সকলো প্ৰয়োজনীয় তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত আৰক্ষী-থানাখনৰ ভাৰপ্ৰাপ্ত অৰ্থাৎ ডি. এছ. পি. এজনকে ধৰি ১৭ জন অভিযুক্তৰ সকলোকে আই. পি. চি. ৰ অন্তৰ্গত ধাৰা ৩০২, ২০১ লগতে ধাৰা ৩৪ৰ অধীনত দোষী সাব্যস্ত কৰিছিল। উক্ত মোকৰ্দমাটো সত্ৰ ন্যায়ালয়ত উত্থাপন কৰা হৈছিল। অভিযুক্ত-দিলীপৰ যে আৰক্ষীৰ জিম্মাতেই মৃত্যু হৈছিল, সেই অভিযোগ প্ৰমাণ কৰিবলৈ গুচৰীয়া পক্ষই এক বৃহৎ সংখ্যক সাক্ষীক পৰীক্ষা কৰিছিল। সকলো আৱশ্যকীয় প্ৰমাণ লিপিবদ্ধ কৰাৰ পিছত, বিদ্বান দ্বিতীয় অতিৰিক্ত সত্ৰ ন্যায়ধীশজন এই সিদ্ধান্তত উপনীত হৈছিল যে অভিযুক্ত আৰক্ষী বিষয়াসকলৰ বিৰুদ্ধে থকা অভিযোগ প্ৰমাণ কৰাত গুচৰীয়া পক্ষ ব্যৰ্থ হৈছে আৰু সকলো অভিযুক্তক সন্দেহৰ সুবিধা প্ৰদান কৰি দোষমুক্ত কৰিছিল। বিদ্বান দ্বিতীয় অতিৰিক্ত সত্ৰ ন্যায়ধীশৰ আদেশত ক্ষুব্ধ হৈ ৰাজ্যই ৩০/০৪/১৯৯৬ তাৰিখে সকলো অভিযুক্ত ব্যক্তিৰ বিপক্ষে উচ্চ ন্যায়ালয়ত এখন লেখ আপীল দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ, বোম্বে; অৰ্থাৎ নাগপুৰৰ বিচাৰপীঠে অভিলেখত থকা সকলো প্ৰমাণ পৰ্যালোচনা কৰিছিল আৰু ১৭/০১/২০০৫ তাৰিখে এই ন্যায়ালয়ৰ আদেশৰ জৰিয়তে পূৰ্বতে উল্লেখ কৰা ধৰণে সকলো অভিযুক্ত ব্যক্তিক দোষমুক্ত কৰাৰ আদেশ পৰিৱৰ্তন কৰিছিল আৰু তেওঁলোকক দোষী সাব্যস্ত কৰিছিল। সেয়েহে, অভিযুক্ত-আপীলকাৰীসকলৰ বৰ্তমানৰ উক্ত আপীল।

আমি পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ পক্ষ শুনিলো আৰু নথিসমূহ পঢ়িলোঁ। ই এক স্বীকাৰ্য্য তথ্য যে মৃতকজনক অন্য ব্যক্তি সকলৰ সৈতে এটা ডকাইতি গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেওঁ আৰক্ষীৰ জিম্মাতে আছিল। গুচৰীয়া পক্ষৰ গোচৰটো আছিল যে সংশ্লিষ্ট তাৰিখত তেওঁক জেৰা কৰিবৰ কাৰণে জেৰা কক্ষলৈ লৈ যোৱা হৈছিল আৰু তাৰ পিছতে তেখেতৰ মৃত্যু হৈছিল আৰু উক্ত অভিযোগৰ প্ৰমাণ দিবলৈ, গুচৰীয়া পক্ষই অভিযুক্ত-দিলীপৰ সৈতে ইতিমধ্যে জিম্মাত থকা কেইজনমান সাক্ষী, যথাক্ৰমে - পি. ডব্লিও. ২, ৩, ৪ আৰু ৫ ক হাজিৰ কৰাইছিল। এই সাক্ষীসকলে অভিযোগ কৰিছিল যে মৃত দিলীপক তেওঁলোকৰ লগতে আটক কৰি ৰখা হৈছিল আৰু জেৰা কৰিবৰ কাৰণে হাত বান্ধি দিলীপক লৈ

যোৱা হৈছিল আৰু তেওঁক মাৰপিট কৰা হৈছিল আৰু তেওঁ কিছু সময় ধৰি চিঞৰি আছিল যদিও কেইটামান মুহূৰ্তৰ পিছত তেওঁৰ চিঞৰ শুনা যোৱা নাছিল আৰু তাৰ পিছতে মৃত লোকজনৰ মৃত্যু ঘটিছিল। আৰক্ষীয়ে এক প্ৰতিৰক্ষা প্ৰস্তুত কৰিছিল যে অভিযুক্তজনে আৰক্ষী থানাৰ পৰা পলায়ন কৰিছিল আৰু সেয়েহে, ০৬/০৯/১৯৮৭ তাৰিখে আই পি চিৰ ধাৰা ২২৪ ৰ অধীনত অপৰাধ নং ৬২৪/৮৭ নামেৰে এটা গোচৰ পঞ্জীয়ন কৰিছিল। প্ৰমাণৰ প্ৰথম অংশটো ভালদৰে পৰীক্ষা কৰিব লাগিব যে উক্ত সাক্ষীসকলৰ সাক্ষ্য গ্ৰহণ কৰিব লাগে নে নাই আৰু কিমানদূৰলৈকে কৰিব লাগে ? পি. ডব্লিও. ২ এজন অভিযুক্ত আছিল যাৰ বিৰুদ্ধে আই পি চিৰ ধাৰা ৩০২ আৰু ৩০৭ ৰ অধীনত মোকৰ্দমা চলি আছিল। মৃত দিলীপ আৰু আৰক্ষীৰ জিম্মাত আৱদ্ধ কৰি ৰখা আন এজন অভিযুক্তৰ সৈতে তেওঁকো গ্ৰেপ্তাৰ কৰা হৈছিল। তাত তেওঁৰ লগত আন অভিযুক্ত সকলো আছিল অৰ্থাৎ বাবাৰাও নেৱাৰে আৰু সদাশিৱ উইকে, যিসকল অন্য কোনো অপৰাধৰ লগত জড়িত আছিল। তেওঁ সাক্ষী দিছিল যে আৰক্ষীৰ এটা লক-আপ আছে যিটো দণ্ডাধিকাৰীৰ লক-আপৰ পৰা পৃথক। উভয়ৰে মাজৰ দূৰত্ব ৩০ ফুট। তেওঁ উল্লেখ কৰিছিল যে এজন পৰাধি ল'ৰাক থানাৰ পৰা উলিয়াই অনা হৈছিল আৰু অভিযুক্ত সকলে তেওঁক টাঙোনেৰে কোবাই, ভুকুৱাই আৰু লথিয়াই প্ৰহাৰ কৰিছিল। আৰক্ষী-থানাৰ মন্দিৰৰ সন্মুখতে তেওঁলোকে ল'ৰাটোক আক্ৰমণ কৰিছিল। তেওঁ সাক্ষ্য দিছিল যে কোঠাটোত তিনিখন খিৰিকী আছে আৰু তেওঁ চিঞৰ-বাখৰ শুনিছিল, সেয়েহে তেওঁ সাৰপাই উঠিছিল আৰু সেই খিৰিকীৰে সেই কাণ্ডটো লক্ষ্য কৰিছিল আৰু তেওঁ দেখিছিল যে পৰাধি ল'ৰাটো অৰ্থাৎ মৃত দিলীপক প্ৰহাৰ কৰাৰ ফলত তেওঁ অচেতন হৈ পৰিছিল। তেওঁ পুনৰ কৈছিল যে অলপ পানী আনি মৃতক জনৰ মুখত ছটিয়াই দিয়া হৈছিল। তাৰ পিছত, অভিযুক্ত সকলৰ মাজৰ একাংশই কৈছিল যে মৃত লোকজনে জানিবুজি অচেতন হোৱাৰ অভিনয় কৰিছিল আৰু সেয়েহে, তেওঁলোকে তেওঁক আৰু অধিক মাৰপিট কৰিছিল। তেতিয়া মৃত লোকজনে পুনৰ চেতনা ঘূৰাই পাব পৰা নাছিল আৰু তাৰ পিছত আৰক্ষীৰ জীপ এখন মাতি তেওঁক হেণ্ডকাফ লগাই লৈ যোৱা হৈছিল। এই সাক্ষী জনৰ এক আচৰিতজনক অপৰাধমূলক অভিলেখ আছে অৰ্থাৎ তেওঁৰ বিৰুদ্ধে প্ৰায় ৩৫-৩৬ টা অপৰাধমূলক গোচৰ চলি আছে। তেওঁ লগতে উল্লেখ কৰিছিল যে শৰীৰৰ কোন অংশত কেনেকৈ আঘাতৰ অৱতৰণ হৈছিল সেই কথা তেওঁ ক'ব পৰা নাছিল যিহেতু তেতিয়া বহুত আন্ধাৰ আছিল আৰু তেওঁ থকা স্থানৰ পৰা সেই ঠাই কিছু দূৰত আছিল। তেওঁক দিয়া

কিছুমান পৰামৰ্শ(Suggestion) তেওঁ অস্বীকাৰো কৰিছিল যে কিশোৰ নামৰ অভিযুক্তজনক পানী আনিবলৈ কোৱা হৈছিল আৰু তেওঁ এই সাক্ষ্যও দিছিল যে আৰক্ষীৰ জীপখন ৰাতিপুৱা দহ বজাত আৰক্ষী-থানালৈ উভতি আহিছিল। তেওঁক এটা পৰামৰ্শও দিয়া হৈছিল যে যিহেতু তেওঁক অৰ্ভি আৰক্ষীয়ে বহু-সংখ্যক গোচৰত জড়িত কৰিছে সেয়েহে প্ৰতিশোধৰ বাবে তেওঁ আৰক্ষীৰ বিপক্ষে সাক্ষী দিছে। আনকি তেওঁ আৰক্ষী-থানাখনৰ ভাৰপ্ৰাপ্ত, ডি এছ পি জনক জড়িত কৰাৰ পৰিসৰলৈকে গৈছিল। তেওঁ স্বীকাৰো কৰিছিল যে তেওঁ আৰক্ষীৰ আগত সাক্ষ্য দিয়া নাই কিন্তু প্ৰথমবাৰৰ বাবে আদালতত সাক্ষী দিছে। পি. ডব্লিউ.৩ - বাবাৰাও নেৱাৰে, হ'ল অন্য এজন সাক্ষী যিজনো মৃত ব্যক্তিজনৰ লগত আৰক্ষীৰ সেই লক-আপতে আছিল। তেওঁ সাক্ষ্য দিছিল যে অভিযুক্ত নং ১, ২, ৩, ৭, ৯, ১১, ১৩ আৰু ১৬ ক তেওঁ চিনি পাইছিল আৰু লগতে তেওঁ স্বীকাৰ কৰিছিল যে মৃত দিলীপৰ সৈতে তেওঁক এটা ডকাইতি গোচৰত আটক কৰা হৈছিল। তেখেতেও সাক্ষ্য দিছিল যে অভিযুক্ত নং ২ য়ে আৰক্ষী কৰ্মচাৰীৰ অন্য সদস্যসকলৰ সৈতে মৃতক জনক মাৰপিট কৰিছিল আৰু উপ-আৰক্ষী অধীক্ষকজনক জড়িত কৰাৰ পৰিসৰলৈকেও তেওঁ গৈছিল। তেওঁ উল্লেখ কৰিছিল যে তেওঁ লক-আপৰ খিৰিকীৰে সমগ্ৰ ঘটনাটো দেখিছিল আৰু প্ৰায় ১০ ৰ পৰা ১৫ ফুটৰ দূৰত্বৰ পৰাই তেওঁ ঘটনাটো লক্ষ্য কৰিছিল। তেওঁ লগতে এই কথাও উল্লেখ কৰিছিল যে পুৱা প্ৰায় ২.৩০ বজাত আৰক্ষীৰ জীপখনে মৃত দিলীপৰ মৃতদেহ লৈ গৈছিল আৰু পুৱা প্ৰায় ৭ ৰ পৰা ৮ বজাৰ ভিতৰত ঘূৰি আহিছিল। এই সাক্ষীজনে উক্ত সাক্ষ্যও দিছিল যে তেওঁৰ বিৰুদ্ধে প্ৰায় ৩১ টামান অপৰাধমূলক গোচৰ বিচাৰাধীন হৈ আছে। তেওঁ স্বীকাৰো কৰিছিল যে তেওঁক এজন আৰক্ষী উপ-অধীক্ষক, মিষ্টাৰ শৰ্মাই লগ পাইছিল যদিও এই ঘটনাৰ বিষয়ে তেখেতক তেওঁ একো উল্লেখ কৰা নাছিল। তেখেতৰ মতে, মাৰপিটৰ ঘটনা প্ৰায় তিনি ঘন্টা ধৰি অব্যাহত আছিল। এই ঘটনা সন্দৰ্ভত তেওঁ লক-আপৰ পহৰাদাৰৰ আগত কোনো ধৰণৰ অভিযোগ উত্থাপনো কৰা নাছিল আৰু তদন্তৰ সময়ত মৃতকজনৰ ওপৰত লথিওৱা আৰু আঘাত কৰা কাণ্ডৰ বিষয়েও তেওঁলোকক কোৱা নাছিল কিন্তু প্ৰথমবাৰৰ বাবে তেওঁ আদালতত সাক্ষ্য দিছিল যে, বিচাৰৰ সময়ত দিয়া নিজৰ সাক্ষ্যত তেওঁ যথেষ্ট অগ্ৰগতি কৰিছিল। পি. ডব্লিও. ৪ - যাক এটা ডকাইতি গোচৰত আটক কৰা হৈছিল, তেওঁ স্বীকাৰ কৰিছিল যে তেওঁক অন্য

অভিযুক্তসকলৰ সৈতে গ্ৰেপ্তাৰ কৰা হৈছিল। তেখেতেও সাক্ষ্য দিছিল যে ৰাতি প্ৰায় ১২ ৰ পৰা ২ বজাৰ ভিতৰত তেওঁ দিলীপৰ চিঞৰ শুনিছিল। তাৰ পিছত, মৃত দিলীপক পুনৰ জীৱিত অৱস্থাত আৰক্ষী-থানালৈ ঘূৰাই অনা হোৱা নাছিল বুলি অভিযোগ কৰা হৈছে। তেখেতেও নিজৰ সাক্ষ্যক যথেষ্ট উন্নত কৰিছিল যেনেকৈ তেওঁ আৰক্ষীৰ উপ-অধীক্ষক, ৱাৰ্ধাক জড়িত কৰিছিল যি আক্ৰমণকাৰী সকলৰ ভিতৰত এজন অন্যতম আছিল আৰু তেওঁৰ মতে, অভিযুক্ত কিশোৰকো মাৰপিট কৰা হৈছিল। মৃত দিলীপৰ সৈতে পি. ডব্লিও. ৫ কো গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁ মাথো সাক্ষ্য দিছিল যে আৰক্ষীয়ে অভিযুক্ত দিলীপক হেণ্ডকাফ লগাই কোঠাৰ পৰা লৈ গৈছিল আৰু দিলীপক কৰা প্ৰহাৰ তথা দিলীপৰ চিঞৰ তেওঁ শুনা পাইছিল। কিছু সময়ৰ পিছত মাৰপিট বন্ধ হৈছিল কিন্তু দিলীপক কোঠালৈ পুনৰ উভতাই অনা হোৱা নাছিল। কোনে প্ৰহাৰ কৰিছিল সেই কথা পি. ডব্লিও. ৫ য়ে উল্লেখ কৰা নাছিল। যদিও তেওঁক দিলীপৰ মৃতদেহ চিনাক্ত কৰিবলৈ মতা হৈছিল কিন্তু তেওঁ দিলীপৰ মৃতদেহ চিনাক্ত কৰাত ব্যৰ্থ হৈছিল বুলি সাক্ষ্য দিছিল। তেওঁ মৃত দিলীপৰ ভাতৃ আছিল। আদিলবাদ আৰক্ষী-থানাত তেওঁক মৃত-দিলীপৰ মৃতদেহৰ ফটো দেখুওৱা হৈছিল কিন্তু তেওঁ মৃতদেহটো চিনাক্ত কৰাত ব্যৰ্থ হৈছিল। তেওঁ লগতে এই কথাও উল্লেখ কৰিছিলে যে দিলীপে তেওঁৰ গৰুটো বৰাকু ৱাদী (কাঠমিস্ত্ৰী) ক বিক্ৰী কৰিছিল আৰু তাৰ বাবদ তেওঁক এখন ৰচিদ প্ৰদান কৰা হৈছিল। তেওঁ তেওঁৰ সাক্ষী দিওঁতে কৈছে যে উক্ত ৰচিদখন তেওঁ আৰক্ষীক দিছিল। তেওঁক দেখুওৱা মৃতদেহটো দিলীপৰ আছিল বুলি তেওঁ স্পষ্টভাৱে অস্বীকাৰ কৰিছিল। এই ৰচিদখন তেওঁ তেওঁৰ মাতৃৰ পৰা লাভ কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। অভিযুক্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ প্ৰমাণ দিবলৈ গুচৰীয়া পক্ষই হাজিৰ কৰোৱা এইকেইজনেই হ'ল প্ৰত্যক্ষদৰ্শী। সেই প্ৰমাণৰ মোল বুজাৰ পিছত বিচাৰ আদালতে এই সকলো সাক্ষীকে অবিশ্বাস কৰিছিল। উক্ত প্ৰমাণৰ বাহিৰেও, পৰিস্থিতিক প্ৰমাণবোৰো কাৰ্য্যকৰী কৰিবলৈ বিচৰা হৈছিল যে আদিলবাদ আৰক্ষী-থানাই জব্দ কৰা মৃতদেহটো মৃতক দিলীপৰ আছিল। ইয়াৰ বাবে গুচৰীয়া পক্ষই কেইজনমান সাক্ষী যেনে পি. ডব্লিও. ৭, ২০ আৰু ২১ ৰ প্ৰমাণো আগবঢ়াইছিল যাতে মৃতকজনৰ মৃতদেহটো আৰক্ষীয়ে আদিলবাদ (এ.পি.) ত জব্দ কৰিছিল বুলি প্ৰমাণ কৰিব পৰা যায়। পি. ডব্লিও. ৫ য়ে আন এজন ব্যক্তিৰ পৰা গৰু বিক্ৰী কৰাৰ এখন ৰচিদ উলিয়াই লৈছিল,

যাক মৃতক দিলীপে তেওঁৰ গৰু বিক্ৰী কৰিছিল, আৰু যিখন ৰচিদত তেওঁৰ বুঢ়া আঙুলিৰ ছাপ আছে৷ মৃতদেহটো নিষ্কাষণ কৰাৰ পূৰ্বে আদিলবাদ আৰক্ষী-থানাত আৰক্ষীয়ে লোৱা আঙুলিৰ ছাপবোৰ  পি. ডব্লিও. ২০ অৰ্থাৎ হস্তলিপি বিশেষজ্ঞৰ দ্বাৰা মৃত দিলীপৰ বুঢ়া আঙুলিৰ ছাপৰ সৈতে মিলাই চাবলৈ বিচৰা হৈছিল যে উক্ত বুঢ়া আঙুলিৰ ছাপ মৃতকজনৰ আছিল নে নাই৷ কিন্তু দুৰ্ভাগ্যবশতঃ,    পি. ডব্লিও. ৭, ২০, ২১, ৯ আৰু ১০ সকলোৱেই বিৰোধী সাক্ষী(Hostile witness) হিচাপে পৰিণত হোৱা বুলি ঘোষণা কৰা হৈছিল৷ পি. ডব্লিও. ৭, ২০ আৰু ২১ ক এই কথা প্ৰমাণ কৰিবলৈ হাজিৰ কৰোৱা হৈছিল যে মৃত লোকজনৰ মৃতদেহটো এখন জীপত লৈ যোৱা হৈছিল আৰু পি. ডব্লিও. ৯ আৰু ১০ ক পি. ডব্লিও.১০ এ প্ৰস্তুত কৰা ৰচিদখন দেখুৱাবলৈ হাজিৰ কৰোৱা হৈছিল য'ত মৃত লোকজনৰ বুঢ়া আঙুলিৰ ছাপ আছিল আৰু সেই ছাপ স্পন্দন পদ্ধতিৰে মৃতদেহৰ পৰা লোৱা আঙুলিৰ ছাপৰ সৈতে মিল খোৱাই সংযোগ কৰিবলৈ বিচৰা হৈছিল কিন্তু বিচাৰ আদালতে উক্ত পৰিস্থিতিগত সাক্ষ্য গ্ৰহণ কৰা নাই৷ অভিযুক্তৰ দোষ প্ৰমাণ কৰিবলৈ গুচৰীয়া পক্ষই আগবঢ়োৱা এয়াই হৈছে সমস্ত সাক্ষ্য-প্ৰমাণ৷

অভিযুক্ত- আপীলকাৰীৰ বিদ্বান অধিবক্তাই গুৰুতৰভাৱে প্ৰতিদ্বন্দ্বিতা তথা দাবী কৰিছে যে গুচৰীয়া পক্ষই হাজিৰ কৰোৱা সকলো প্ৰত্যক্ষদৰ্শীৰে অপৰাধজনিত অতীত আছে আৰু দ্বিতীয়তে, তেওঁলোকে অভিযুক্তৰ বিৰুদ্ধেও আখেজপূৰ্ণভাৱে সাক্ষী দিছে৷ লগতে আঙুলিয়াই দিয়া হৈছিল যে উক্ত ঘটনা শেষ নিশা সংঘটিত হোৱা বুলি কোৱা হৈছিল আৰু অভিযুক্ত ব্যক্তিসকলে মৃতক দিলীপক মাৰপিট কৰাৰ কাণ্ডটো দেখাটো এই সাক্ষীসকলৰ বাবে যথেষ্ট কঠিন৷ আঙুলিয়াই দিয়া হৈছিল যে খিৰিকীখনৰ উচ্চতা কিমান আছিল য'ৰ পৰা এই প্ৰত্যক্ষদৰ্শীসকলে মৃতকক প্ৰহাৰ কৰা দেখা পাইছিল, সেই প্ৰসংগত প্ৰথমতে কোনো প্ৰমাণ আগবঢ়োৱা হোৱা নাছিল৷ একাংশ সাক্ষীয়ে কয় যে মৃত ব্যক্তিজনৰ হাতত ৰছীৰে বান্ধি একাংশ অভিযুক্ত ব্যক্তিয়ে ডি. বি. কোঠালৈ লৈ গৈছিল য'ত তেওঁলোকে চিঞৰৰ শব্দ শুনা পাইছিল৷ কিন্তু একাংশই কৈছিল যে মন্দিৰৰ সমীপৰ মুকলি ঠাইতহে মাৰপিট সংঘটিত হৈছিল৷ আঙুলিয়াই দিয়া হৈছিল যে মৃত লোকজনক কোনে আৰু কেতিয়া প্ৰহাৰ কৰিছিল; দোষী সাব্যস্ত কৰা ১৭ জন অভিযুক্তৰ আটাইকেইজনেই মৃত লোকজনক মাৰপিট কৰা কাণ্ডত জড়িত আছিল নে তেওঁলোকৰ মাজৰ একাংশহে মাৰপিট কৰা কাণ্ডত জড়িত আছিল তাৰ ওপৰত

গুচৰীয়া পক্ষই আগবঢ়োৱা সাক্ষী সকলৰ মাজত কোনো ঐক্যমত নাছিল। সেয়েহে, বিদ্বান অধিবক্তাই দাবী কৰিছে যে অৰ্ভি পি. এছ. ৰ ১৭ জন অভিযুক্তৰ সকলোকে দোষী সাব্যস্ত কৰাৰ বাবে প্ৰমাণ হিচাপে এনে ধৰণৰ কথাবোৰ গ্ৰহণ কৰিব নোৱাৰি, যদিও উচ্চ ন্যায়ালয়ে প্ৰথমতেই অশুদ্ধভাৱে তেওঁলোকৰ সাক্ষ্য গ্ৰহণ কৰিছে।

ৰাজ্যৰ হৈ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী শেখৰ নাফাদেই ন্যায্যভাৱে যুক্তি দিয়ে যে এই সাক্ষী সকলৰ সাক্ষ্যত কিছু আসোঁৱাহ আছে। কিন্তু তেওঁ দাবী কৰিছে যে সত্যটো হ'ল যে মৃতকজন আৰক্ষীৰ জিম্মাত আছিল আৰু আৰক্ষীয়ে আই পি চিৰ ধাৰা ২২৪ ৰ অধীনত এক গোচৰ পঞ্জীয়ন কৰাৰ বাহিৰে তেওঁৰ কোনো কাৰ্য কৰা নাছিল আৰু তদন্তও আৰু অধিক আগবঢ়াই নিয়া নাছিল। তেওঁ পুনৰ আঙুলিয়াই দিছিল যে পলায়নৰ তত্ত্বটো আন একো নহয় বৰঞ্চ অভিযুক্তই প্ৰস্তুত কৰা বিশ্বাসৰ এক ভুৱা কাহিনী আৰু তেওঁলোকে ২৯/০৪/১৯৮৯ তাৰিখে গোচৰটো সমাপ্ত কৰি সেই বিষয়ৰ পৰা আতৰি গৈছিল কাৰণ, তেওঁলোকে এই কথা জানিছিল যে মৃত লোকজনে পলায়ন কৰা নাই বৰঞ্চ তেঁওলোকৰ দ্বাৰা শাৰীৰিক অত্যাচাৰৰ বলি হৈছে। ৰাজ্যখনৰ বিদ্বান জ্যেষ্ঠ অধিবক্তাই এই কথাত গুৰুত্ব আৰোপ কৰিছে যে তদন্তও আৰক্ষীৰ লোকসকলেই অৰ্থাৎ চি. আই.ডি.য়ে কৰিছে আৰু সকলো অভিযুক্ত যিসকল প্ৰত্যক্ষদৰ্শী, তেওঁলোক বাস্তৱত জয়ী হৈছিল কাৰণ ২৮/১০/১৯৮৮ তাৰিখে তেওঁলোকৰ ডকাইতিৰ মোকৰ্দমাটোও বন্ধ কৰা হৈছিল। সেয়েহে, এই কথা মনত ৰাখি তেওঁলোকৰ সাক্ষ্যও সূক্ষ্মভাৱে পৰীক্ষা কৰিব লাগে যে তেওঁলোকেও নিজৰ লাভৰ বাবে ডকাইতিৰ মোকৰ্দমাটো বন্ধ কৰাৰ ক্ষেত্ৰত অভিযুক্তৰ পক্ষত থিয় দিছে। বিদ্বান অধিবক্তাজনে এই বিষয়টো গুৰুত্ব আৰোপ কৰিছে যে যদিহে অভিযুক্তজনে পলায়নৰ তত্ত্ব অনুসৰণ কৰিলেহেঁতেন, তেন্তে আই পি চিৰ ধাৰা ২২৪ ৰ অধীনত ৰুজু কৰা গোচৰ বন্ধ নহ'লহেঁতেন, দ্বিতীয়তে সেই ভিত্তিতেই তেঁওলোকে বিৰোধীক জেৰা কৰিব পাৰিলেহেঁতেন কিন্তু তেনে কোনো ধৰণৰ জেৰা অভিযুক্তৰ দ্বাৰা কৰা হোৱা নাছিল। গতিকে, মৃত দিলীপৰ পলায়নৰ তত্ত্বটো এক ভুৱা তত্ত্বৰ বাহিৰে আন একো নহয়। ই কেৱল প্ৰমাণ সৃষ্টি কৰিবৰ কাৰণে আৰু অভিযুক্ত ব্যক্তিসকলৰ বাবে পলায়নৰ পথ বিচাৰি উলিওৱাৰ উদ্দেশ্যে লোৱা এক পদক্ষেপহে।

ইয়াৰ সমৰ্থনত বিদ্বান অধিবক্তাই কলকাতা উচ্চ ন্যায়ালয়ৰ *এ. ই. জি. কেৰাপিয়েট বনাম এ. ৱাই. ডাৰ্দেৰিয়ান,* এ আই আৰ (১৯৬১) কেল. ৩৫৯ গোচৰৰ ওপৰত প্ৰদান কৰা সিদ্ধান্তৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল য'ত কোৱা হৈছিল যে পক্ষ সমূহে সাক্ষীসকলৰ জেৰাৰ ওপৰত ভিত্তি কৰি নিজৰ গোচৰ ৰাখিব লাগে। এই বিষয়ো প্ৰতিষ্ঠা কৰা হৈছিল যে এয়া অত্যাৱশ্যকীয় ন্যায়ৰ এক নিয়ম আৰু কেৱল কাৰিকৰী নহয়। *এম. পি. ৰাজ্য বনাম শ্যামসুন্দৰ ত্ৰিৱেদী আৰু অন্যান্য,* [১৯৯৫] ৪ এছ চি চি ২৬২ ত এই ন্যায়ালয়ে প্ৰদান কৰা এক সিদ্ধান্তৰ প্ৰতিও বিদ্বান অধিবক্তাই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে য'ত কোৱা হৈছে যে জিম্মাত থাকোতে হোৱা মৃত্যু বা আৰক্ষীয়ে কৰা অত্যাচাৰৰ এটা মোকৰ্দমাত, সাধাৰণতে চাক্ষুস বা অন্য কোনো প্ৰত্যক্ষ প্ৰমাণ উপলব্ধ নহয় আৰু কেৱল আৰক্ষী বিষয়াসকলেইহে বৰ্ণনা কৰিব পাৰে যে কি পৰিস্থিতিত তেওঁলোকৰ জিম্মাত থকা এজন ব্যক্তিৰ মৃত্যু হয়। প্ৰমাণ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কৰা অতিৰঞ্জিত আনুগত্য আৰু যুক্তিগত প্ৰতিটো সন্দেহৰ উৰ্ধত প্ৰমাণ প্ৰতিষ্ঠা কৰিবলৈ ধৰা খাটনি সঠিক নাছিল আৰু আদালতে সংকীৰ্ণ কাৰিকৰী পদ্ধতিৰ পৰিৱৰ্তে এক বাস্তৱসন্মত পদ্ধতি প্ৰয়োগ কৰিব লাগিব। বিদ্বান অধিবক্তাজনে দাবী জনাইছিল যে মৃত ব্যক্তি জনক শেষবাৰৰ কাৰণে আৰক্ষীৰ জিম্মাত দেখা পোৱা গৈছিল আৰু তেওঁক জীৱিত অৱস্থাত পোৱা যোৱা নাই। সেয়েহে, অভিযুক্তক দোষী সাব্যস্ত কৰিবলৈ এই পৰিস্থিতিয়েই যথেষ্ট হ'ব লাগে। বিদ্বান অধিবক্তাজনে *সহদেৱন ওৰফে সগদেৱন বনাম চেন্নাইৰ আৰক্ষী পৰিদৰ্শকে প্ৰতিনিধিত্ব কৰা ৰাজ্য* [২০০৩] ১ এছ চি চি ৫৩৪ ত লোৱা এটা সিদ্ধান্তৰ প্ৰতিও আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু জনাইছে যে শেষবাৰৰ কাৰণে দেখাটো এক গুৰুত্বপূৰ্ণ বিষয় আৰু কোনো এজন ব্যক্তিক যদি শেষবাৰৰ কাৰণে অভিযুক্তৰ সংগত দেখা পোৱা গৈছিল আৰু পিছত কেতিয়াও তেওঁক কোনেও দেখা নাছিল, তেন্তে নিৰুদ্দেশ হোৱা ব্যক্তিজনে আৰু অভিযুক্তই কি পৰিস্থিতিত এজনে আনজনৰ সংগলৈ আহিছিল সেই কথা ব্যাখ্যা কৰাটো অভিযুক্তৰ বাবে বাধ্যতামূলক। এই বিষয়টোও উত্থাপন কৰা হৈছিল যে অশুদ্ধ ব্যাখ্যাক অভিযুক্তৰ বিৰুদ্ধে সৃষ্টি হোৱা এক পৰিস্থিতি বুলি গণ্য কৰিব পাৰি। *মণি কুমাৰ থাপা বনাম ছিক্কিম ৰাজ্য,* [২০০২] ৭ এছ চি চি ১৫৭ ত এই আদালতে গ্ৰহণ কৰা এটা সিদ্ধান্তৰ প্ৰতিও বিদ্বান অধিবক্তাজনে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেই মোকৰ্দমাত মহামান্য ন্যায়াধীশ গৰাকীয়ে ৰায় প্ৰদান কৰিছিল যে জিম্মাত হোৱা মৃত্যুৰ ক্ষেত্ৰত, পৰিস্থিতিৰ ওপৰত দিয়া দোষৰ বিষয়ে ব্যাখ্যা কৰাত যদি অভিযুক্ত ব্যৰ্থ হয় তেন্তে পৰিস্থিতি সমূহৰ শৃংখলাত এই ব্যৰ্থতাই এক অতিৰিক্ত যোগসূত্ৰৰ সৃষ্টি কৰিব। *দেৱেন্দ্ৰ কুমাৰ চিংলা বনাম বলদেৱ*

*কৃষণ চিংলা,* [২০০৫] ৯ এছ চি চি ১৫ ত এই ন্যায়ালয়ে গ্রহণ কৰা এক সিদ্ধান্তৰ প্ৰতিও বিদ্বান অধিবক্তাজনে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এয়া প্ৰতাৰণাৰ এক গোচৰ আছিল। এই মোকৰ্দমাত উপস্থাপন কৰা হৈছিল যে অপৰাধ প্ৰক্ৰিয়া বিধিৰ অন্তৰ্গত ধাৰা ৩১৩ ৰ অধীনত দিয়া বিবৃতি সমূহ প্ৰমাণ নহয়। ই কেৱল কাহিনীৰ তেওঁৰ অংশত অভিযুক্তই গ্ৰহণ কৰা এক স্থিতিহে। আঙুলিয়াই দিয়া হৈছিল যে যদিহে কোনো প্ৰমাণ নাথাকে, তেন্তে বিৰোধীক জেৰা কৰাৰ সময়ত পৰামৰ্শ নথকা বুলি কোনো ধৰণৰ বিবৃতি প্ৰয়োগ কৰিব নোৱাৰিব।

এতিয়া, পক্ষসমূহৰ হৈ বিদ্বান অধিবক্তাই জনোৱা দাবীৰ প্ৰতি লক্ষ্য ৰাখি গুচৰীয়া পক্ষই উপস্থাপন কৰা চাক্ষুস প্ৰমাণৰ পৰ্যালোচনা কৰাৰ পিছত আমাৰ মতামত হ'ল যে সাক্ষীসকলে দিয়া বিবৃতিবোৰ তেওঁলোকে দিয়াৰ লগে লগেই গ্ৰহণ কৰি ল'ব নোৱাৰি। এইটো সঁচা যে মৃত লোকজনক জীৱিত অৱস্থাত পোৱা যোৱা নাছিল কিন্তু তেওঁৰ মৃতদেহটো অন্ধ্ৰ প্ৰদেশৰ আদিলবাদ আৰক্ষী-থানাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰতে পোৱা গৈছিল। আৰক্ষী জোৱান সকলৰ বিৰুদ্ধে তদন্ত আৰক্ষী কৰ্মীসকলেই কৰা কথাটো মনত ৰাখি আৰু লগতে গুচৰীয়া পক্ষৰ ফালৰ সাক্ষীসকলৰ পূৰ্বৰ গতিবিধি আৰু তেওঁলোকে দিয়া মাৰপিটৰ বৰ্ণনাৰ ধৰণৰ প্ৰতি লক্ষ্য ৰাখি, ১৭ জন অভিযুক্তৰ সকলোকে উক্ত অপৰাধ সংঘটিত কৰা কাণ্ডত জড়িত কৰাটো অত্যন্ত কঠিন। দৰাচলতে, আৰক্ষীয়ে প্ৰমাণবোৰ সঠিকভাৱে পৰীক্ষা কৰিব লাগিছিল আৰু মাৰপিটৰ বাবে যিজন দায়ী আছিল সেই লোকজনক তেওঁলোকে চিনাক্ত কৰিব পাৰিলেহেঁতেন। কিন্তু, দুৰ্ভাগ্যজনকভাৱে, বস্তুগত প্ৰমাণ উপস্থাপন কৰাত আৰু মৃত ব্যক্তিজনক মাৰপিট কৰা কাণ্ডত জড়িত বুলি যিজন ব্যক্তিৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছিল তেওঁক চিনাক্ত কৰাত তেওঁলোকে উপযুক্ত পৰিমাণৰ গুৰুত্ব আৰোপ নকৰিলে। এই কথা সত্য যে মৃত লোকজনক শেষবাৰৰ বাবে আৰক্ষীৰ জিম্মাত দেখা পোৱা গৈছিল আৰু তাৰ পিছত তেওঁক পুনৰ জীৱিত অৱস্থাত পোৱা যোৱা নাছিল। যদিও আৰক্ষীয়ে আই. পি. চি.ৰ ধাৰা ২২৪ ৰ অধীনত এটা গোচৰ পঞ্জীয়ন কৰি কাহিনীটো ঢাকি ৰাখিবলৈ এক প্ৰচেষ্টা কৰিছে, কিন্তু কিছুদিনৰ পিছতে সেই মোকৰ্দমাটো বন্ধ কৰা হৈছিল। সেয়েহে, এই পটভূমিত, এনে পৰিস্থিতিৰ জৰিয়তে অভিযুক্তৰ অপৰাধবোধৰ বিষয়ে অনুমান কৰাটো অতি কঠিন। আমি সজাগ যে জিম্মাত ঘটা মৃত্যু কাণ্ডৰ সংখ্যা বৃদ্ধি পাইছে কিন্তু অভিযুক্তক দোষী

সাব্যস্ত কৰিবলৈ আমি প্ৰমাণবোৰক আৰু তাৰ গ্ৰহণযোগ্যতাক আইন অনুসৰি সমূলি *উলাই কৰিব নোৱাৰো* । আমি কেৱল এক প্ৰবল সন্দেহ বা অনুমান আৰু আন্দাজৰ ওপৰত ভিত্তি কৰি ক্ৰিয়া কৰিব নোৱাৰো। যি আইনৰ অধীনত অনুমোদিত আমি কেৱল তাৰ অনুমানহে কৰিব পাৰো আৰু মৃত ব্যক্তিজনৰ আৰক্ষীৰ জিম্মাতেই মৃত্যু ঘটিল বুলিয়েই, সেই ঘটনাৰ অপৰাধ সংঘটিত হোৱাৰ লগত কোনো সঠিক যোগসূত্ৰ নথকাকৈয়ে আমি কোনো এক সিদ্ধান্তত উপনীত হ'ব নোৱাৰোঁ।

ৰাজ্যৰ হৈ বিদ্বান জ্যেষ্ঠ অধিবক্তা মিষ্টাৰ শেখৰ নাফাদেই যথেষ্ট ন্যায়সংগতভাৱে দাবী কৰিছিল যে গুচৰীয়া পক্ষৰ গোচৰত এক সবল সুৰুঙা থকাৰ সত্বেও আপীলকাৰীসকলৰ বিৰুদ্ধে দেখা দিয়া কঠিন পৰিস্থিতিটো হ'ল যে মৃত লোকজন আৰক্ষীৰ জিম্মাত আছিল আৰু আৰক্ষীৰ জিম্মাতেই তেওঁক শেষবাৰৰ বাবে জীৱিত অৱস্থাত দেখা পোৱা গৈছিল। তাৰ পিছত আৰু তেওঁক পুনৰ জীৱিত অৱস্থাত দেখা পোৱা যোৱা নাছিল। সেয়েহে, অভিযুক্তৰ দোষৰ ওপৰত অনুমান কৰা উচিত। এনে ধৰণৰ অনুমানৰ উল্লেখ কৰি অপৰাধ সংঘটিত কৰাটো বিকৃত। এয়া সঁচা যে জড়িত অভিযুক্তসকল আৰক্ষীৰ কৰ্মী কিন্তু মৃত লোকজনক শেষবাৰৰ বাবে আৰক্ষীৰ জিম্মাত দেখা পোৱা গৈছিল বুলি দিয়া পৰিস্থিতিক প্ৰমাণৰ ভিত্তিতেই আৰু তাৰ পিছত তেওঁ জীৱিত নাছিল বুলি বাতৰি পোৱাৰ ওপৰত ভিত্তি কৰিয়েই আমি সমগ্ৰ আৰক্ষী-থানাখনক নিন্দা কৰিবলৈ উদ্যত হ'ব নোৱাৰোঁ। উক্ত প্ৰত্যক্ষ চাঞ্চল্যকৰ প্ৰমাণৰ বাহিৰে, মৃতদেহটোক মৃতক দিলীপৰ সৈতে সংযোগ স্থাপন কৰিবলৈ গ্ৰহণ কৰা প্ৰমাণটো যিটো দুবছৰ অৰ্থাৎ ১৯৮৯ চনৰ পাছত পোহৰলৈ আহিছিল, তাক গ্ৰহণ কৰাটো অতি কঠিন। মৃত লোকজনৰ শৰটো দিলীপৰ সৈতে সংযোগ কৰাৰ এক প্ৰয়াস কৰা হৈছিল, তথা গুচৰীয়া পক্ষই পি. ডব্লিউ. ২২ ৰ প্ৰমাণ উপস্থাপন কৰিছিল যিজনে মৃতদেহটোৰ পৰা আঙুলিৰ ছাপ লৈছিল। পি. ডব্লিউ. ২২ এ ১০/১১/১৯৮৭ তাৰিখে মৃত লোকজনৰ আঙুলিৰ ছাপ লৈছিল যদিও তেওঁ স্বীকাৰ কৰিছিল যে ছাপবোৰ স্পষ্ট নাছিল আৰু এই আঙুলিৰ ছাপবোৰ উক্ত ৰচিদৰ লগত মিলাবলৈ বিচৰা হৈছিল যিখন পি. ডব্লিউ. ৫ এ প্ৰস্তুত কৰিছিল আৰু য'ত মৃত দিলীপৰ আঙুলিৰ ছাপ আছে। ইয়াৰ বাবে গুচৰীয়া পক্ষই ৰচিদৰ লিখক অৰ্থাৎ পি. ডব্লিউ. ১০ আৰু ১১ ৰ প্ৰমাণো আগবঢ়াইছিল। পিছে দুয়োজন সাক্ষীয়েই বিৰোধী সাক্ষী(Hostile witness) হিচাপে পৰিণত হৈছিল। ফলস্বৰূপে, এক সন্দেহৰ সৃষ্টি হৈছে যে ক্ৰেতাক

প্ৰদান কৰা ৰচিদখন কেনেকৈ বিক্ৰেতা অৰ্থাৎ দিলীপৰ হাতত থাকিব পাৰে যিখন পি. ডব্লিউ. ১০ এ লিখিছিল আৰু এই ৰচিদখন পি. ডব্লিউ. ৫ অৰ্থাৎ মৃত লোকজনৰ ভাতৃৰ হাতত থকা বুলি কোৱা হৈছিল আৰু তেখেতৰ মাতৃয়ে তেওঁক সেইখন দিয়া বুলি ব্যাখ্যা দিয়া হৈছিল। উক্ত ৰচিদত থকা দিলীপৰ বুঢ়া আঙুলিৰ ছাপটো পি. ডব্লিউ. ২২ যে লোৱা মৃত লোকজনৰ আঙুলিৰ ছাপৰ সৈতে সংযোগ কৰিবলৈ বিচৰা হৈছিল। পি. ডব্লিউ. ২২ যে স্পচন পদ্ধতিৰে মৃত লোকজনৰ সোঁহাতৰ বুঢ়া আঙুলিৰ ছাপ আৰু বাওঁ হাতৰ বুঢ়া আঙুলিৰ একে অংশৰে ছাপ লৈছিল যি অতিকৈ পচি যোৱা অৱস্থাত আছিল, তথা আঙুলিৰ ছাল আৰু মাখি ছালবোৰ পোৱা নগৈছিল। প্ৰথম কথা হ'ল যে ৰচিদখনত থকা বুঢ়া আঙুলিৰ ছাপ দিলীপৰ আছিল বুলি প্ৰমাণিত হোৱা নাই যিহেতু পি. ডব্লিউ. ১০ বিৰোধী সাক্ষী হিচাপে পৰিণত হৈছিল। অৱশ্যে, গুচৰীয়া পক্ষই পি. ডব্লিউ. ২৩ অৰ্থাৎ হস্তলিপি বিশেষজ্ঞৰ মহত্বপূৰ্ণ প্ৰমাণৰ জৰিয়তে মৃতকজনৰ শৰটো সংযোগ কৰিবলৈ চেষ্টা কৰিছিল। এই কথা দৃষ্টিগোচৰ কৰিবলৈ গুচৰীয়া পক্ষই পি. ডব্লিউ. ২২ ক হাজিৰ কৰাইছিল যে তেওঁ স্পচন পদ্ধতিৰে মৃত লোকজনৰ আঙুলিৰ ছাপ লৈছে আৰু আঙুলিৰ ছাপবোৰ গুচৰীয়া পক্ষই প্ৰস্তুত কৰিছিল আৰু পি. ডব্লিউ. ২৩, অৰ্থাৎ হস্তলিপি বিশেষজ্ঞজনে পৰীক্ষা কৰিছিল। পি. ডব্লিউ. ২৩ যে নিশ্চিতকৈ সাক্ষ্য দিছিল যে তেওঁ তেওঁৰ প্ৰতিবেদন পঠিয়াই দিছে আৰু তেওঁ পোৱা তথ্য অনুসৰি ৰচিদখনত থকা উক্ত বুঢ়া আঙুলিৰ ছাপ আৰু পি. ডব্লিউ. ২২ যে মৃতদেহটোৰ পৰা লোৱা আঙুলিৰ ছাপ একেজন ব্যক্তিৰে। কিন্তু প্ৰশ্ন হয় যে মৃতক দিলীপে গৰু বিক্ৰী কৰাৰ সময়ত দিয়া ৰচিদত পোৱা আঙুলিৰ ছাপ দিলীপৰ বুঢ়া আঙুলিৰ ছাপ হয় নে নহয়। যদিও পি. ডব্লিউ. ১০ এ অস্বীকাৰ কৰিছিল যে দিলীপৰ উক্ত বুঢ়া আঙুলিৰ ছাপ তেওঁৰ উপস্থিতিত লোৱা হৈছিল আৰু যিহেতু গুচৰীয়া পক্ষই প্ৰস্তুত কৰা মৃত দিলীপৰ বুঢ়া আঙুলিৰ ছাপ থকা ৰচিদখন প্ৰমাণিত হোৱা নাই, সেয়েহে, মৃত লোকজনৰ আঙুলিৰ ছাপৰ লগত উক্ত বুঢ়া আঙুলিৰ ছাপৰ তুলনা কৰাৰ কোনো লাভ নাই। তাতোকৈ বেছি আচৰিত, মৃতকজনৰ ভাতৃ পৰত্য আৰু তেওঁৰ পত্নী- শোভাইও মৃতদেহটো চিনাক্ত কৰিবলৈ অস্বীকাৰ কৰিছে। সেয়েহে, এনে পৰিস্থিতিত, মৃতদেহটো মৃতক-দিলীপৰ আছিল বুলি প্ৰতিষ্ঠা কৰাত গুচৰীয়া পক্ষ ব্যৰ্থ হৈছে। সেই হিচাপে, এনে পৰিস্থিতিক প্ৰমাণৰো কোনো মূল্য নাই যে ই অভিযুক্ত ব্যক্তিকেইজনক সংঘটিত হোৱা অপৰাধৰ সৈতে সংযোগ কৰিব পাৰে।

আমাৰ উপৰোক্ত আলোচনাৰ ফলশ্ৰুতিত গঠন হোৱা আমাৰ মতামত হ'ল যে দ্বিতীয় অতিৰিক্ত সত্ৰ ন্যায়াধীশ গৰাকীয়ে প্ৰদান কৰা ৰায় পৰিৱৰ্তন কৰিবলৈ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে যি মতামত গ্ৰহণ কৰিছে, সেয়া ভালদৰে গঠন হোৱা যেন নালাগে। সাধাৰণতে, দোষমুক্তকৰণৰ আদেশত হস্তক্ষেপ কৰাৰ ক্ষেত্ৰত আপীল আদালত অতি লেহেমীয়া যদিহে তেনে কৰিবলৈ কোনো বাধ্যতামূলক পৰিস্থিতি নাথাকে। বিচাৰ আদালতৰ ৰায় পঢ়াৰ পিছত আমাৰ মতামত হ'ল যে মোকৰ্দমাটোৰ তথ্য আৰু পৰিস্থিতিত, বিচাৰ আদালতে গ্ৰহণ কৰা দৃষ্টিভংগী ন্যায়সংগত আৰু সঠিক যেন লাগে আৰু উক্ত মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিৰ সলনি কৰাটো উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ বাবে সঠিক নাছিল। আমি সন্তুষ্ট হৈছো যে অভিযুক্ত ব্যক্তিকেইজনক দোষমুক্ত কৰাৰ ক্ষেত্ৰত প্ৰদান কৰা আদেশ পৰিৱৰ্তন কৰিবলৈ উচ্চ ন্যায়ালয়ে প্ৰদান কৰা কাৰণ সমূহ যুক্তিসংগত নহয় আৰু আপীলকাৰীসকলক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত ন্যায্যতা প্ৰদান কৰিবলৈ দিয়া কাৰণটোৰ বিৰুদ্ধে আপীল নকৰে। সেয়েহে, আমি  আপীলকাৰীসকলে দাখিল কৰা আপীলক অনুমতি প্ৰদান কৰো আৰু উচ্চ ন্যায়ালয়ে প্ৰদান কৰা উক্ত বিবাদিত ৰায়ক বাতিল কৰোঁ আৰু বিচাৰ আদালতৰ ৰায়ক দৃঢ় কৰি সকলো অভিযুক্ত-আপীলকাৰীক অভিযোগৰ পৰা মুক্ত কৰোঁ। আন কোনো মোকৰ্দমাত প্ৰয়োজন নহ'লে আপীলকাৰীসকলক তৎক্ষণাত মুকলি কৰি দিয়া হ'ব।

আৰ.পি.

আপীল মঞ্জুৰ কৰা হ'ল।

অনুবাদক- মিঠুপ্ৰিয়া  বৰা

পৰীক্ষক: মোবাৰক  হুছেইন, জ্যেষ্ঠ অনুবাদক